Total number of pages–16

Subject Code : 01

Google Play
Download Now!
SEBA/HSLC
পুৰণি
প্ৰশ্ন কাকত
HSLC Question Paper
BELLAL HOSSAIN MONDAL©

B17–AS

**2017**

# ASSAMESE

( MODERN INDIAN LANGUAGE )

***Full Marks : 100***

***Pass Marks : 30***

**Time : Three hours**

***The figures in the margin indicate full marks for the questions.***

*পৰীক্ষাৰ্থীয়ে একেখন বহীত* **GROUP-A** *(ক-বিভাগ) আৰু* **GROUP-B** *(খ-বিভাগ)-ৰ উত্তৰ কৰিব লাগিব।*

*অথবা*

**GROUP-A** *(ক-বিভাগ) আৰু* **GROUP-C** *(গ-বিভাগ)-ৰ উত্তৰ একেখন বহীত কৰিব লাগিব।*

*Contd.*

## Group – A (ক - বিভাগ)

মূল্যাংক : ৭৫

১। তলৰ *যিকোনো দুটাৰ* অতি চমু উত্তৰ লিখা : ১×২=২

(ক) শাক্যসিংহ কোন ?

(খ) ডেম-ডেউকা কি ?

(গ) মিৰাগুা কোন ?

BELLAL HOSSAIN MONDAL

২। অতি চমুকৈ উত্তৰ লিখা : ১×২=২

(ক) *(i)* 'মধ্য এচিয়াকা ইতিহাস' কোনে লিখিছিল ?

*(ii)* ত্ৰয়োদশ শতিকাত অসমলৈ অহা বহিৰাগত গোষ্ঠী কোনটো ?

*নাইবা*

(খ) *(i)* গেলিলিওয়ে আকাশৰ অধ্যয়নৰ কথাবোৰ কোনখন গ্ৰন্থত প্ৰকাশ কৰিছিল ?

*(ii)* 'তটৰেখা' কি ?

৩। তলৰ *যিকোনো দুটাৰ* উত্তৰ লিখা : ২×২=৪

(ক) বাল্মিকীৰ সুপ্ত-প্ৰতিভাক কোনে সাৰ পোৱাই দিছিল?

(খ) কালিদাসৰ প্ৰতিভাই আমাক আৰু এটি কি গভীৰ সত্য উপলব্ধি কৰিবলৈ সুযোগ দিলে ?

(গ) 'ছাৰৰ হেনো আজি বন্ধুৰ ল'ৰাৰ বিয়া আছিল' — বুলি পবিনৰ দেউতাকে সোধাত ছাৰে কি উত্তৰ দিছিল ?

৪। চমু উত্তৰ লিখা : ২

(ক) অজন্তাৰ ছবিবোৰত কি কি ভাববস্তু প্ৰকাশ পাইছে ?

*নাইবা*

(খ) ডাকৰ বিষয়ে *এটি* টোকা লিখা।

BELLAL HOSSAIN MONDAL

৫। চমু উত্তৰ লিখা : *(যিকোনো তিনিটা)* ২×৩=৬

(ক) লণ্ডনৰ ৰয়েল ছ্চাইটিৰ সৈতে নিউটন কেনেদৰে জৰিত হৈছিল?

(খ) ইং ১৫৪৩ চনটো বিজ্ঞান তথা মানৱ ইতিহাসৰ এটি উল্লেখযোগ্য বছৰ হিচাপে কিয় কোৱা হৈছে ?

(গ) 'পাৰস্যৰ এটা কথাই মোক সদাই আকৰ্ষণ কৰিছিল।' লেখকক কি এটা কথাই আকৰ্ষণ কৰিছিল ?

(ঘ) বুশ্বেৰ বিমান বন্দৰটোক কিয় গুৰুত্বপূৰ্ণ বুলি কোৱা হৈছে?

৬। তলৰ *যিকোনো এটা* প্ৰশ্নৰ উত্তৰ লিখা : ৪

(ক) লিখকে আমাৰ বৰ্তমানৰ শিক্ষা কামৰ শিক্ষা নহয় বুলি কিয় কৈছে বুজাই লিখা।

(খ) 'নিয়মমতে আজি পবিনে তাৰ কইনাজনীৰ চিন্তাতে ৰোমান্টিক মনৰ হৈ থাকিব লাগিছিল।' — আচলতে পবিন ৰোমান্টিক হৈ কিয় থাকিব নোৱাৰিলে বুজাই লিখা।

৭। তলৰ *যিকোনো এটা* প্ৰশ্নৰ উত্তৰ লিখা : ৫

(ক) 'ভাৰতীয় ভৌগোলিক জীৱন বৈচিত্ৰ্যময়' — কথাষাৰ মুকলিকৈ বুজাই লিখা।

(খ) ‘অসমৰ বৈচিত্ৰ্যপূৰ্ণ জনগোষ্ঠীৰ গাঁথনিতে অসমীয়া সংস্কৃতিৰ বৈশিষ্ট্য ৰক্ষা পৰিছে।’
— কথাষাৰৰ তাৎপৰ্য মুকলিকৈ বুজাই লিখা।

৮। তলৰ *যিকোনো এটা* প্ৰশ্নৰ অতি চমু উত্তৰ লিখা : ১

(ক) তোমাৰ পাঠ্যক্ৰমত অন্তৰ্ভুক্ত শ্ৰী শ্ৰী মাধৱদেৱ বিৰচিত বৰগীতটো কি ৰাগৰ ?

(খ) ‘বিটপী’ - শব্দৰ অৰ্থ কি ?

BELLAL HOSSAIN MONDAL

৯। তলৰ *যিকোনো দুটা* প্ৰশ্নৰ অতি চমু উত্তৰ লিখা : ১×২=২

(ক) হলদিঘাটৰ যুদ্ধ কাৰ কাৰ মাজত হৈছিল ?

(খ) ‘দৃশ্যান্তৰ’-ৰ অৰ্থ কি ?

(গ) নিজৰ ঘৰ বিচাৰি নোপোৱা মানুহজন কি আছিল ?

১০। তলৰ *যিকোনো এটা* প্ৰশ্নৰ উত্তৰ লিখা : ২

(ক) “ ...... নেৰিবা বান্ধৱ মোক জীৱনে মৰণে”

— কবিয়ে জীৱনে মৰণে নেৰিবৰ বাবে কাক অনুৰোধ কৰিছে ?

(খ) ‘বহাগীৰ বিয়া’ — কবিতাটোত উল্লেখ কৰা চৰাইবোৰৰ নাম লিখা।

১১। উত্তৰ লিখা : ৩×২=৬

(ক) *(i)* ব্ৰজাৱলী ভাষাৰ বিষয়ে *এটি* টোকা লিখা।

*নাইবা*

*(ii)* ‘জোৰোণ’-ৰ বিষয়ে *এটি* টোকা লিখা।

(খ) *(i)* 'সাজু হোৱা দেশৰ মানুহ।'

কবিয়ে দেশৰ মানুহক কিয় সাজু হবলৈ কৈছে বুজাই লিখা।

*নাইবা*

*(ii)* 'বৰ শান্তিত আঁছো
এই পঁজাটিত।'

— কোনে, কিয় এনেদৰে কৈছিল বুজাই লিখা।

১২। তলৰ *যিকোনো এছোৱা* ব্যাখ্যা কৰা : ৪

(ক) "মক্কাৰ দুৱাৰত চাহাব তিৰবেণীৰ ঘাট।
বেহাব নোৱাৰে তাত মায়াই ভেটে বাট ॥"

(খ) "হীৰক মণ্ডিত চন্দ্ৰতাপখনি
ওলমিছে আকাশত,
আই বসুমতী দিয়ে পাটি পাৰি
সেউজীয়া আসনত।"

BELLAL HOSSAIN MONDAL

১৩। 'দৃশ্যান্তৰ' — কবিতাটোৰ কবিজনাৰ নাম কি? কবিতাটোৰ মূলভাৱ লিখা। ৫

*নাইবা*

'মোৰ দেশ মানুহৰ দেশ' কবিতাটোৰ মাজেৰে প্ৰকাশ পোৱা কবিৰ স্বদেশানুভূতি সম্পৰ্কে বহলাই লিখা।

১৪। তলৰ *যিকোনো পাঁচটা* প্ৰশ্নৰ উত্তৰ লিখা : ২×৫=১০

(ক) তলত দিয়া *যিকোনো দুটাৰ* ব্যাস-বাক্য সহ সমাসৰ নাম লিখা।

দোমাহী, দেশান্তৰ, মহাপুৰুষ, উপবন।

(খ) তলৰ *যিকোনো দুটা* শব্দৰ সন্ধি ভাঙা।

ইত্যাদি, হোমাগ্নি, সংস্কৃতি, যদ্যপি।

(গ) তলৰ জটিল বাক্যটি সৰল বাক্যলৈ পৰিবৰ্তন কৰা।

যিজন লোক অকৃতজ্ঞ, তেওঁ ক'তো স্থান নাপায়।

(ঘ) তলৰ *যিকোনো দুটা* শব্দৰ এটাকৈ সমাৰ্থক শব্দ লিখা।

আকাশ, ধৱল, বাৰিধি, সমীৰ।

(ঙ) তলৰ *যিকোনো দুটাৰ* অৰ্থ প্ৰকাশ হোৱাকৈ *একোটি* বাক্য ৰচনা কৰা।

উলহ-মালহ, আঁচলৰ ধন, ৰমক-জমক, এৰা-ধৰা।

(চ) তলৰ *যিকোনো দুটা* শব্দত কি প্ৰত্যয় লগ লাগিছে ভাঙি দেখুওৱা।

দয়ালু, ধাননি, সোণাৰী, গাঁৱলীয়া।

BELLAL HOSSAIN MONDAL

(ছ) যথাস্থানত যতি চিহ্ন বহুওৱা।

প্ৰণবে ক'লে আজি স্কুল খোলা আছেনে?

(জ) *এটা* শব্দত প্ৰকাশ কৰা *(যিকোনো দুটা)* :

বিষ্ণুৰ ভকত যি তেওঁ, ৰান্ধি খাব পৰা কলৰ পুলি, একে মাতৃৰ গৰ্ভত জন্ম যাৰ, একে ঠাইত স্থায়ীভাৱে বসবাস নকৰা লোক।

(ঝ) তলৰ *যিকোনো দুটা* শব্দৰ 'ণ' বা 'ষ' হোৱাৰ কাৰণ লিখা।

ঋণ, বৰুণ, ভূমিষ্ঠ, বিষয়।

১৫। তলৰ *যিকোনো এটা* প্ৰশ্নৰ উত্তৰ লিখা : ৪

BELLAL HOSSAIN MONDAL

(ক) ভাৱ সম্প্ৰসাৰণ কৰা :

লাগি থাকিলে মাগি নাখায়।

(খ) তোমাৰ শিক্ষানুষ্ঠানৰ কাষতে থকা স্থানীয় সংঘই এখন ৰাজহুৱা সভা অনুষ্ঠিত কৰি সেই অঞ্চলৰ কিছুসংখ্যক অৱসৰপ্ৰাপ্ত কৃতী শিক্ষকক সম্বৰ্ধনা জনাব। সেই সভাত উপস্থিত থাকিবলৈ চতুৰ্থ ঘণ্টাৰ পিছত ছুটী বিচাৰি, বিদ্যালয়ৰ অধ্যক্ষ/প্ৰধান শিক্ষকলৈ এখনি আবেদন লিখা। (আবেদনত তোমাৰ নাম, ঠিকনা নিলিখিবা)

(গ) তোমাৰ অঞ্চলৰ বাট-পথ, দলং আদি নষ্ট হোৱাত সেইবোৰৰ মেৰামতিৰ কাৰণে চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰি স্থানীয় বাতৰি কাকতলৈ এখন প্ৰতিবেদন লিখা।

১৬। তলত দিয়া *যিকোনো এটা* বিষয়ৰ ওপৰত এখনি ৰচনা লিখা : ৮

(ক) বিজ্ঞানৰ অৱদান

(আৰম্ভণি – বৈজ্ঞানিক আবিষ্কাৰ – অৱদান – সামৰণি)

(খ) পুথিভঁৰাল

(আৰম্ভণি – বিভিন্ন প্ৰকাৰ – আৱশ্যকতা – সামৰণি)

(গ) অসমৰ কুটীৰ শিল্প

(আৰম্ভণি – অসমৰ কুটীৰ শিল্পসমূহ – উন্নয়নৰ উপায় – সামৰণি)

১৭। তলৰ *যিকোনো দুটা* প্ৰশ্নৰ উত্তৰ লিখা : ২×২=৪

(ক) "মহাৰাণী ভিক্টোৰিয়াই এইবাৰ দীঘলীয়াকৈ বাহুৰ পাতিব যেন পাইছোঁ।" — ইয়াত কোনে, কাক মহাৰাণী ভিক্টোৰিয়া বুলি বক্ৰোক্তি কৰিছে ?

(খ) 'চোৰা পূজা, কাগজত এইয়া কি লেখিছে' — বুলি পূজাক দেউতাকে খবৰৰ কাগজত কি কথা লেখাৰ কথা কৈছে ?

(গ) গানৰ চাৰক দেখিলে প্ৰেৰণাৰ কেনেভাৱ হৈছিল ?

১৮। তলৰ *যিকোনো দুটা* চৰিত্ৰৰ চমু পৰিচয় দিয়া : ২×২=৪

(ক) বলাই

(খ) জীনা বৰুৱা

(গ) সুস্মিতা

(ঘ) জিলমিল

BELLAL HOSSAIN MONDAL

## Group – B (খ - বিভাগ)

### মূল্যাংক : ২৫

১৯। তলৰ *যিকোনো দুটা* প্ৰশ্নৰ অতি চমু উত্তৰ লিখা : ১×২=২

(ক) স্বৰ্গদেৱলৈ দিয়া কোচৰজাৰ কন্যাগৰাকীৰ নাম কি?

(খ) গৰুৰ শিং এটা ওপৰলৈ আৰু এটা তললৈ যোৱাক কি বোলে ?

(গ) কুলক্ষয় দোষ কি?

BELLAL HOSSAIN MONDAL

২০। তলৰ *যিকোনো তিনিটাৰ* চমু উত্তৰ লিখা : ২×৩=৬

(ক) ভট্টদেৱৰ গদ্যৰ *দুটা* বৈশিষ্ট্য উল্লেখ কৰা।

(খ) আহোম স্বৰ্গদেৱে কি কাৰণত আহোম কটকীৰ ঠাইত বামুণ কটকীক নিয়োগ কৰিছিল ?

(গ) 'আবে পাণ্ডৱসৱৰ যুদ্ধোৎসৱ শুনা' — কুৰুক্ষেত্ৰ যুদ্ধৰ প্ৰাক্ক্ষণত পঞ্চপাণ্ডৱে কি কি শঙ্খ বজাইছিল ?

(ঘ) 'স্বৰ্গদেৱ প্ৰতাপসিংহ' নামৰ পাঠটি কি কি দিশত গুৰুত্বপূৰ্ণ ?

২১। তলৰ *যিকোনো দুটা* প্ৰশ্নৰ অতি চমু উত্তৰ লিখা : ১×২=২

(ক) তোমাৰ পাঠ্য 'মুক্তি মঙ্গল ভটিমা' টি কোনখন নাটৰপৰা লোৱা ?

(খ) দেৱতাসকলক অমৃত খুৱাবলৈ কৃষ্ণই কি ৰূপ ধাৰণ কৰিছিল ?

(গ) কি ৰূপ ধাৰণ কৰি কৃষ্ণই বলিক ছলনা কৰিছিল?

২২। তলৰ *যিকোনো দুটা* প্ৰশ্নৰ উত্তৰ লিখা : ৩×২=৬

(ক) 'অঘ-বক ধেনুক কেশী সবংশক

কংসক ধ্বংসল প্ৰাণ'

— ইয়াত উল্লেখ থকা অঘ-বক ধেনুক কোন ?

(খ) 'গাততে পোততে পেটাৰি বান্ধন্তে

ধনত লাগিবে জুই'

— ইয়াত কোনে, কিয় ধনত জুই লাগিব বুলি কৈছে ?

(গ) মুক্তিমঙ্গল ভটিমাৰ বিষয়ে *এটি* টোকা লিখা।

২৩। তলত দিয়া *যিকোনো দুটা* শব্দৰ আধুনিক ৰূপ লিখা : ১×২=২

যাকেৰি, উতপাড়ে, মোড়ল।

BELLAL HOSSAIN MONDAL

২৪। তলৰ বাক্যটি শুদ্ধকৈ লিখা : ১

মই কালি তেজপুৰ যাম।

২৫। 'চোন' অনুসৰ্গ ব্যৱহাৰ কৰি *এটি* বাক্য লিখা। ১

২৬। তলৰ শব্দ *দুটাৰ* সমাৰ্থক শব্দ লিখা : ১

পক্ষী, কামিনী।

২৭। তলৰ *যিকোনো দুটাৰ* উদাহৰণ সহ টোকা লিখা : ২×২=৪

(ক) যতি।

(খ) চৰণ।

(গ) দুলড়ী।

(ঘ) পদ বা পয়াৰ।

BELLAL HOSSAIN MONDAL

## Group – C (গ - বিভাগ)

মূল্যাংক : ২৫

1. Translate ***any two*** of the following in your mother language : 4×2=8

তলৰ *যিকোনো দুটা* তোমাৰ মাতৃভাষালৈ অনুবাদ কৰাঁ :

*(a)* लाचित : मातुलम् विलम्बस्य कारणम् अपृच्छत्। मातुल: अवदत् — 'भो: भागिनेय ! एते मम मानुषा: अतीव परिश्रान्ता:, क्षणम् विश्रम्य ते पुन: निर्माणकर्म करिष्यन्ति एव'' इति।

*(b)* कदाचित् कस्यापि वृद्धशशकस्य वार: समायात:। तत: सोऽचिन्तयत् — मन्दं मन्दमुपगच्छामि। तत: सिंहोऽपि क्षुधापीडित: कोपात् तमुवाच — कुतस्त्वं बिलम्बादागतोऽसि ?

*(c)* परन्तु पुरु-नामा कश्चित् नरपति: आलेकजेण्डारस्य पन्थानम् अवरुद्धवान्। पुरु: समरे पराजित: सन् आलेकजेण्डारेण वन्दीकृत: अभवत्।

2. Answer ***any one*** of the following : 2

তলৰ *যিকোনো এটাৰ* উত্তৰ লিখাঁ :

BELLAL HOSSAIN MONDAL

*(a)* Where does लक्ष्मी reside and to what extent ?

লক্ষ্মী ক'ত কেনেদৰে বাস কৰে ?

*(b)* What are the *four* things that cause disaster in human life according to 'हितोपदेश:'?

'हितोपदेश:'-ৰ মতে মানুহৰ জীৱনত অনৰ্থ সৃষ্টি কৰা *চাৰিটা* কাৰণ কি কি ?

3. Answer ***any one*** of the following questions : 2

তলৰ প্ৰশ্নবোৰৰ *যিকোনো এটাৰ* উত্তৰ লিখাঁ :

*(a)* "ततः सर्वै पशुर्भिमेलकं कृत्वा स सिंहो विज्ञप्तः" —

What did the animals say to the lion ? What reply did the lion give ?

পশুবোৰে সিংহক কি কৈছিল ? সিংহই কি উত্তৰ দিছিল ?

*(b)* "तत् वद, अन्यथा ते दुर्गतिः ध्रुवा" —

Who told whom to speak ? What was said by 'दुर्गति' here ?

কোনে কাক কথা কবলৈ কৈছে ? ইয়াত কি দুৰ্গতিৰ কথা কোৱা হৈছে ?

*(c)* अथ कदाचित् इन्द्रः अचिन्तयत् —

What did इन्द्र think ?

ইন্দ্ৰই কি চিন্তা কৰিছিল ?

BELLAL HOSSAIN MONDAL

4. Fill in the blanks in the following verse with appropriate words : 3

উপযুক্ত শব্দৰে তলৰ শ্লোকফাঁকিৰ খালী ঠাই পূৰণ কৰাঁ :

यथाह्येकेन चक्रेण न _______ गतिर्भवेत्।

_______ पुरुषकारेण विना _______ न सिध्यति॥

***Or / নাইবা***

वरमेको गुणी पुत्रो न च_______।

_______ हन्ति न च _______ ॥

5. *(a)* Derive ***any two*** of the following words : 1½×2=3

তলৰ *যি কোনো দুটা* পদৰ ব্যুৎপত্তি লিখাঁ :

*(i)* विश्रम्य in Q. No. 1*(a)*

1 নং *(a)* প্ৰশ্নত 'विश्रम्य'

*(ii)* अचिन्तयत् in Q. No. 1*(b)*

1 নং *(b)* প্ৰশ্নত 'अचिन्तयत्'

*(iii)* उवाच in Q. No. 1*(b)*

1 নং *(b)* প্ৰশ্নত 'उवाच'

BELLAL HOSSAIN MONDAL

*(iv)* अभवत् in Q. No. 1*(c)*

1 নং *(c)* প্ৰশ্নত 'अभवत्'

*(b)* Decline ***any two*** of the following : 1×2=2

তলৰ *যিকোনো দুটাৰ* শব্দৰূপ লিখাঁ :

*(i)* शिशु in 2nd case-ending plural.

शिशु দ্বিতীয়া বিভক্তিৰ বহুবচনত।

*(ii)* मातृ in 2nd case-ending plural.

मातृ দ্বিতীয়া বিভক্তিৰ বহুবচনত।

*(iii)* फल in 5th case-ending singular.

फल পঞ্চমী বিভক্তিৰ একবচনত।

(iv) अस्मद् in 3rd case-ending dual.

अस्मद् तृतीया विভক্তিৰ দ্বিবচনত।

(c) Conjugate ***any two*** of the following : 1×2=2

তলৰ ***যিকোনো দুটাৰ*** ধাতুৰূপ লিখাঁ :

(i) √अस् + लोट् हि

(ii) √कृ + लृट् स्यति

(iii) √गम् + लट् तस्

(iv) √वद् + लङ् अन्

(d) Frame adjectives from ***any two*** of the following nouns : 1½×2=3

তলৰ ***যি কোনো দুটা*** বিশেষ্যৰ পৰা বিশেষণ পদ গঠন কৰাঁ :

देह ; सूर्य ; देव ; सभा।

BELLAL HOSSAIN MONDAL

———×———